# 2020

# ADVANCE ASSAMESE

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. **1** carries **1** mark each* | 1×4 = 4 |
| *Q. No. **2** & **3** carry **5** marks each* | 5×2 = 10 |
| *Q. No. **4** carries **6** marks* | 6×1 = 6 |
| *Q. No. **5** carries **1** mark each* | 1×4 = 4 |
| *Q. No. **6** carries **5** marks* | 5×1 = 5 |
| *Q. No. **7** carries **2** marks each* | 2×3 = 6 |
| *Q. No. **8** carries **6** marks* | 6×1 = 6 |
| *Q. No. **9** carries **14** marks* | 1×14 = 14 |
| *Q. No. **10** & **11** carry **5** marks each* | 5×2 = 10 |
| *Q. No. **12** carries **6** marks* | 6×1 = 6 |
| *Q. No. **13** carries **2** marks each* | 2×2 = 4 |
| *Q. No. **14** carries **10** marks* | 1×10 = 10 |
| *Q. No. **15** & **16** carry **6** marks each* | 6×2 = 12 |
| *Q. No. **17** carries **1** mark each* | 1×3 = 3 |
| | Total =100 |

*Contd.*

১। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ ঃ ১×৪=৪

(ক) অসমীয়া সাহিত্যৰ প্ৰথম লিখিত কাব্য-নিদৰ্শন বুলি কোনখন কাব্যক ক'ব পাৰি ?

(খ) 'কৃত্তিবাস' শব্দটোৰ অৰ্থ লিখাঁ।

(গ) 'পানেশৈ' কোন শ্ৰেণীৰ কবিতা ?

(ঘ) চামুৰায়ে গাঁও পাতি কোনখন নদীৰ পাৰত বাস কৰিছিল ?

২। (ক) চনেট কাক বোলে ? 'প্ৰিয়তমাৰ চিঠি' কবিতাটিত চনেটৰ বৈশিষ্ট্যসমূহ কেনেদৰে ফুটি উঠিছে আলোচনা কৰাঁ। ১+৪=৫

*অথবা*

(খ) পছোৱাৰ আগমনত প্ৰকৃতিৰ ৰূপৰ কেনে পৰিৱৰ্তন হয় পাঠ্য কবিতাৰ আধাৰত চমুকৈ আলোচনা কৰাঁ। ৫

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ২+৩=৫

(ক) "দুষ্কৰ কৃষিক মই কৰিবো কিমত।
নাই কড়াকড়ি ধন মোহোৰ ঘৰত।।"

(খ) "মৰিলে মৰিম আমি তৰা হৈ কৰিম আৰতি
জননীৰ দেৱ-দেউলত মাৰ গ'লে বেলিৰ পোহৰ।"

৪। তলৰ *যিকোনো এটা* কবিতাৰ মূলভাব লিখাঁ ঃ ৬

(ক) পানেশৈ

(খ) প্ৰহ্লাদ চৰিত্ৰ

৫। চমু উত্তৰ লিখাঁ ঃ ১×৪=৪

(ক) "আইচোন পঢ়িব পাৰো নপাৰো পঢ়াশালিত থোৱানি।"— কোনে কাক কৈছিল ?

(খ) 'ছাত্ৰ কৰ্তব্য আৰু শিক্ষা' অভিভাষণটি প্ৰথম কোনখন আলোচনীত প্ৰকাশ পাইছিল ?

(গ) 'ভোজন-বিহাৰ' ঝুমুৰাৰ ৰচক কোন ?

(ঘ) আলংকাৰিক ভৰত মুনিৰ মতে ৰস কেইপ্ৰকাৰ ?

৬। (ক) "আৰু একদিন অধ্যাপকে সবে ছাত্ৰক বোলে, মোক একোটা শ্লোক কৰি দেহুঁক।"
— শংকৰদেৱে গুৰুগৃহত কেনেদৰে শ্লোক ৰচনা কৰিছিল তোমাৰ ভাষাৰে লিখাঁ। ৫

*অথবা*

(খ) 'পাঁচ প্ৰকাৰ ভক্তিৰস' কি কি ? চমুকৈ আলোচনা কৰাঁ। ৫

৭। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৩=৬

(ক) 'হৰিচন্দ্ৰোপাখ্যান' কোনখন পুৰাণৰ কোন দুটা অধ্যায়ৰ আধাৰত শংকৰদেৱে ৰচনা কৰিছিল ?

(খ) বিশ্ববিদ্যালয়ৰ বাহিৰা শিক্ষা কাক বোলে?

(গ) গেৰিবল্ডি কোন ? তেওঁৰ স্বেচ্ছাসেৱক বাহিনীটোৰ নাম কি আছিল?

(ঘ) শংকৰদেৱৰ শৃংগাৰাত্মক ভক্তিৰস প্ৰকাশক *দুখন* নাটৰ নাম লিখাঁ।

৮। 'টিকেন্দ্ৰজিৎ' নাটকৰ নাৰী চৰিত্ৰকেইটিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা। ৬

৯। (ক) তলত দিয়া ***যিকোনো দুটা*** চৰিত্ৰৰ বিষয়ে চমুকৈ লিখা ঃ ৩×২=৬

কুলচন্দ্ৰ, ক'লামণি সিং, ঠেঙাল, ভম্বল সিং।

(খ) "আঠজন ৰাজভ্ৰাতাৰ ভিতৰত একমাত্ৰ সিংহৰ পোৱালি তুমি।"— কোনে, কাক, কি প্ৰসংগত এইদৰে কৈছিল আলোচনা কৰাঁ। ১+১+৩=৫

(গ) 'টিকেন্দ্ৰজিৎ' নাটকত মুঠ গীত কেইটা? ১

(ঘ) জেল-অধ্যক্ষই 'ফাঁচীৰ সলনি ক'লাপানীৰ হুকুম হৈছে' বুলি কাৰ কাৰ নাম ঘোষণা কৰিছিল? ১+১=২

১০। (ক) 'যীশুখৃষ্টৰ ছবি' গল্পটিৰ মাজেৰে গল্পকাৰে গোৰা চিপাহীসকলৰ জীৱন কেনেদৰে অংকন কৰিছে আলোচনা কৰাঁ। ৫

*অথবা*

(খ) "মুক্তি—আঃ কি মধুৰ!" মঞ্জুলাই কেনে ধৰণৰ মুক্তি বিচাৰিছিল ? সেই মুক্তি তেওঁ পালেনে—বুজাই লিখাঁ। ২+৩=৫

১১। (ক) চৈয়দ আব্দুল মালিকৰ চুটিগল্পৰ *দুটা* বৈশিষ্ট্য লিখাঁ। ২

(খ) নিৰুপমা বৰগোহাঞিয়ে কোনখন উপন্যাসৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল? ১

(গ) "ইমান দিনৰ মাৰ পবিত্ৰ পাকঘৰটো তুমি মা নোহোৱা হোৱাৰ লগে লগে চুৱা কৰিবলৈহে ওলালা নে নবৌ?"— কোনে, কাক, কি প্ৰসংগত এনেদৰে কৈছিল? ১+১=২

১২। (ক) প্ৰাচ্য আৰু পাশ্চাত্যৰ সমালোচকসকলে কবিতাৰ বিষয়ে আগবঢ়োৱা *দুটি* সংজ্ঞা লিখি ব্যক্তিনিষ্ঠ কবিতাৰ বিষয়ে এটি পৰিচয়মূলক টোকা যুগুত কৰাঁ। ২+৪=৬

*অথবা*

(খ) নাটকৰ মূল উপাদান হিচাপে কাহিনী আৰু সংলাপৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ৩+৩=৬

১৩। চমুটোকা লিখাঁ ঃ *(যিকোনো দুটা)* ২×২=৪

শোক কবিতা বা ইলিজি, সামাজিক নাটক, নাটকৰ ত্ৰি-ঐক্য, লিমাৰিক

১৪। (ক) ছন্দ বুলিলে কি বুজা ? কবিতাত ছন্দৰ আৱশ্যকীয়তা সম্পৰ্কে চমুকৈ লিখাঁ। ২+৩=৫

(খ) সংজ্ঞাসহ উদাহৰণ দিয়া ঃ *(যিকোনো দুটা)* ২×২=৪

যতি, পৰ্ব, কুসুমমালা, অক্ষৰ

(গ) তলৰ কাব্যপংক্তিটোত কি ছন্দ ব্যৱহৃত হৈছে? ১

"বলভদ্রে জৰাসন্ধে।
যুজিলন্ত মালবন্ধে।।
প্ৰহাৰে অনেক বাৰে।
ছান্দি ধৰি পাৰে পাৰে।।"

১৫। জোনাকী যুগৰ *যিকোনো এগৰাকী* কবিৰ কাব্যকৃতিৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৬। অসমীয়া নাট্য-সাহিত্যলৈ লক্ষ্মীনাথ বেজবৰুৱা *অথবা* পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদান সম্পৰ্কে চমুকৈ লিখা। ৬

১৭। চমু উত্তৰ লিখাঁ ঃ ১×৩=৩

(ক) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম কি ?

(খ) ‘ছত্ৰপতি শিৱাজী’ কোন শ্ৰেণীৰ নাটক?

(গ) ‘চেতনা’ আলোচনীখনৰ সম্পাদকগৰাকীৰ নাম লিখাঁ।

———×———